NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে পুণেত বতৰ আৰু জলবায়ু সম্পৰ্কীয় তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰৰ প্ৰতি উচৰ্গা কৰে।

২।	চলিত বৰ্ষৰ বিশ্ব উদ্ভাৱন সূচ্যাংকত ভাৰত ৩৯ সংখ্যক স্থানলৈ উন্নীত হৈছে।

৩।	কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে মাংকিপক্স ৰোগ সন্দৰ্ভত সজাগতাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে।

৪।	সমগ্ৰ বিশ্বতে আজি বিশ্ব পৰ্যটন দিৱস উদযাপন কৰা হৈছে।

*আৰু*

৫।	ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি কানপুৰত আৰম্ভ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে পুণেত বতৰ আৰু জলবায়ু সম্পৰ্কীয় তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰৰ প্ৰতি উচৰ্গা কৰে। তিনিওটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰীয় ছুপাৰ কম্পিউটিং অভিযানৰ অধীনত প্ৰায় ১৩০ কোটি টকা ব্যয় সাপেক্ষে থলুৱাভাৱে বিকশাই তোলা হৈছে।

প্ৰধানমন্ত্ৰীয়ে লগতে বতৰ আৰু জলবায়ু গৱেষণাৰ বাবে এটা উচ্চ ক্ষমতাসম্পন্ন কম্পিউটিং ছিষ্টেমো মুকলি কৰে। অনুষ্ঠানত শ্ৰী মোদীয়ে কয় যে, এই উন্মোচনে একবিংশ শতিকাৰ ভাৰতবৰ্ষই যে বিজ্ঞান, প্ৰযুক্তি আৰু গৱেষণাক অগ্ৰাধিকাৰ দি আগবাঢ়িছে, তাকেই প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে প্ৰযুক্তি আৰু কম্পিউটাৰ ক্ষমতাত প্ৰত্যক্ষভাৱে নিৰ্ভৰ নকৰা কোনো খণ্ড নাই। ভাৰত সম্প্ৰতি সঠিক গতিৰে সঠিক দিশত আগবঢ়াটো কালিৰ উন্মোচনে প্ৰমাণ কৰিছে বুলিও তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে দেশে সম্প্ৰতি আত্মনিৰ্ভৰশীলভাৱে অৰ্ধপৰিবাহী পৰিবেশতন্ত্ৰ বিকাশৰ কামত আগবাঢ়িছে আৰু ই গোলকীয় যোগান শৃংখলাৰ গুৰুত্বপূৰ্ণ অংশ ৰূপে পৰিগণিত হ'ব।

০০০০০০০

চলিত বৰ্ষৰ বিশ্ব উদ্ভাৱন সুচ্যাংকত ১৩৩ টা বিশ্ব অৰ্থনীতিৰ ভিতৰত ভাৰত ২৯ সংখ্যক স্থানলৈ উন্নীত হৈছে। কেন্দ্ৰীয় উদ্যোগ  আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে এই বিষয়ে প্ৰকাশ কৰি কৈছে যে মধ্য আৰু দক্ষিণ এছিয়া অঞ্চলসমূহৰ ভিতৰত ভাৰতে শীৰ্ষ স্থান দখল কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীগোৱেলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বত অধীনত এই ভাৰতৰ  এই গুৰুত্বপূৰ্ণ সাফল্য সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে নিম্ন-মধ্যবিত্ত আয়ৰ অৰ্থনীতিতো ভাৰত শীৰ্ষ স্থান লাভ কৰিছে ।

২০২৫ বৰ্ষৰ বিশ্ব উদ্ভাৱন সূচ্যাংকত ভাৰতৰ ৮১ সংখ্যক স্থানৰ বিপৰীতে চলিত বৰ্ষত ৩৯ সংখ্যক স্থানলৈ উন্নীত হোৱাটো অত্যন্ত লক্ষণীয় বুলি তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০

খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোগীয়ে কৈছে যে ইথানেলৰ উৎপাদন আৰু গ্ৰাহকৰ ক্ষেত্ৰত ভাৰত বৰ্তমান বিশ্বৰ তৃতীয় মধ্যবিত্ত দেশ হিচাপে পৰিগনিত হৈছে। নতুন দিল্লীৰ অনুষ্ঠিত দুদিনীয়া ভাৰত চেনী আৰু জৈৱ-শক্তি সন্মিলন উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে চেনী উদ্যোগ কেৱল এটা অৰ্থনৈতিক স্তম্ভয়েই নহয়, বৰং ই ভাৰতৰ নবীকৰণ শক্তিৰ ক্ষেত্ৰখনৰো এটা গুৰুত্বপূৰ্ণ চালিকা শক্তি আৰু এই উদ্যোগটো অধিক শক্তিশালী কৰাৰ বাবে চৰকাৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ। দেশৰ চেনী উৎপাদন সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে বিগত দশকত দেশত কুঁহিয়াৰৰ উৎপাদন ১৮ শতাংশ বৃদ্ধি হৈছে। তেওঁ লগতে কয় যে ন্যূনতম সমৰ্থন মূল্যৰ সহায়ত, কৃষকসকলৰ বকেয়া ধন এতিয়া অতীত হৈ পৰিছে। তেওঁ লগতে দেশৰ নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত কৃষকসকলক অন্নদাতাৰ পৰা শক্তিদাতা হোৱাৰ সন্দৰ্ভত আলোকপাত কৰে। সেউজ হাইড্ৰজেনৰ ব্যৱহাৰ উৎপাদন আৰু ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতক গোলকীয় কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ উদ্দেশ্যে চৰকাৰে ১৯ হাজাৰ ৭৪৪ কোটি টকা ব্যয়সাপেক্ষ ৰাষ্ট্ৰীয় সেউজ হাইড্ৰজেন অভিযান মুকলি কৰিছে বুলিও শ্ৰীযোশীয়ে লগতে জানিবলৈ দিয়ে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে মাংকী পক্স ৰোগ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে। এখন নিৰ্দেশাৱলীত মন্ত্ৰালয়ে নিৰীক্ষণ প্ৰক্ৰিয়া উন্নত কৰিবলৈ ৰাজ্যসমূহক পৰামৰ্শ দিছে। মন্ত্ৰালয়ে লগতে এই ৰোগ চিনাক্তকৰণৰ হকে কাৰ্যকৰী হৈ থকা পৰীক্ষাগাৰসমূহৰ এখন তালিকাও প্ৰকাশ কৰিছে। ৰাজ্য আৰু জিলা পৰ্যায়ৰ স্বাস্থ্য সেৱা কেন্দ্ৰসমূহত জনস্বাস্থ্য সজাগতাৰ খতিয়ান লবলৈও মন্ত্ৰালয়ে নিৰ্দেশ দিছে।

০০০০০০০

কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰত তৃতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজনৈতিক দলসমূহে ভোটাদাতাক আকৰ্ষণ কৰিবলৈ সক্ৰিয় কাম-কাজ অব্যাহত ৰাখিছে। নিৰ্বাচনৰ প্ৰথম দুটা পৰ্যায় বিগত ১৮ আৰু ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল। সামগ্ৰিকভাৱে শান্তিপূৰ্ণ ৰূপত সম্পন্ন হোৱা এই দুটা পৰ্যায়ত ভোটদানৰ হাৰ আছিল ৫৯%।

অহা ১ অক্টোবৰত হ'বলগীয়া নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত জম্মু সংমণ্ডলৰ চাৰিখন জিলাৰ ২৪টা সমষ্টি সামৰি লোৱা হ'ব।

০০০০০০০

চৰকাৰে ইণ্টাৰনেটত নাগৰিকৰ আধাৰ আৰু পান কাৰ্ডৰ সবিশেষ উদঙাই দিয়া ৱেবচাইটসমূহ ব্লক কৰিছে। ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে নাগৰিকৰ আধাৰ আৰু পান

কার্ডৰ সবিশেষকে ধৰি স্পৰ্শকাতৰ ব্যক্তিগত চিনাক্তকৰণযোগ্য তথ্য উদঙাই থকা কিছুমান ৱেবছাইট চিনাক্ত কৰিছে। আধাৰ আইন ২০১৬ৰ ধাৰা ২৯(৪)ৰ অধীনত আধাৰৰ তথ্য ৰাজহুৱাভাৱে প্ৰদৰ্শনৰ ক্ষেত্ৰত থক নিষেধাজ্ঞা উলংঘাৰ বাবে ইউ আই ডি আই এ-য়ে ৱেবছাইটসমূহৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে। ইয়াৰ উপৰি ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন সঁহাৰি দলে চিনাক্ত কৰা ৱেবছাইটসমূহত কিছুমান নিৰাপত্তাজনিত ক্ৰুটি দেখুওৱা হৈছে। সংশ্লিষ্ট ৱেবছাইটকেইটাৰ পৰিচালক অথবা মালিকক সংবেদনশীল সমস্যাসমূহ সমাধানৰ বাবে প্ৰয়োজনীয় পৰিৱৰ্তনৰ জৰিয়তে গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলীৰ বিষয়ে নিৰ্দেশনা প্ৰদান কৰা হৈছে।

0000000

সমগ্ৰ বিশ্বতে আজি বিশ্ব পৰ্যটন দিৱস উদযাপন কৰা হৈছে। প্ৰতি বছৰে ২৭ ছেপ্টেম্বৰত মানুহৰ সংযোগৰ জৰিয়তে অৰ্থনীতিৰ বিকাশ সাধনৰ লক্ষ্যৰে পৰ্যটনৰ ভূমিকাত আলোকপাত কৰিবলৈ এই দিৱস উদযাপন কৰা হয়। এই বছৰ বিশ্ব পৰ্যটন দিৱসৰ বিষয়বস্তু হৈছে ‘পৰ্যটন আৰু শান্তি’। ভৱিষ্যত প্ৰজন্মৰ বাবে অধিক বহনক্ষম পৰ্যটন উদ্যোগ গঢ়ি তোলাও এই দিৱস উদযাপনৰ অন্যতম লক্ষ্য।

পৰ্যটন মন্ত্ৰালয়ে আজি নতুন দিল্লীত বিশ্ব পৰ্যটন দিৱস উদযাপন কৰিব। অনুষ্ঠানত উন্নয়ন আৰু গোলকীয় সম্প্ৰীতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত পৰ্যটনৰ গুৰুত্বপূৰ্ণ ভূমিকাত আলোকপাত কৰা হ'ব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অনুষ্ঠানত ভাষণ প্ৰদান কৰিব। এই উপলক্ষে মন্ত্ৰালয়ে শ্ৰেষ্ঠ পৰ্যটন গাঁৱৰ বঁটা বিজয়ীসকলৰ নামো ঘোষণা কৰিব।

আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এক আছুতীয়া বাৰ্তালাপত পৰ্যটন মন্ত্ৰালয়ৰ সঞ্চালক প্ৰধান মুগ্ধ সিনহাই দায়িত্বশীল আৰু বহনক্ষম পৰ্যটনক বৰ্তমান সময়ৰ দাবী বুলি উল্লেখ কৰে। তেওঁ বিশ্বজুৰি শান্তি আৰু সমৃদ্ধিৰ বাবে গাঁও, মহিলা, যুৱক-যুৱতী আৰু স্থানীয় লোকে আগভাগ লোৱা পৰ্যটনত গুৰুত্ব আৰোপ কৰে।

0000000

উত্তৰ প্ৰদেশতো বিশ্ব পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আৰু পৰ্যটন মন্ত্ৰীয়ে এই উপলক্ষে আয়োজিত বিভিন্ন কাৰ্যসূচীত ভাগ লবলৈ আজি ঝান্সীলৈ যাব। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথাবতৰাত ৰাজ্যখনৰ পৰ্যটন বিভাগৰ মুখ্য সচিব মুকেশ মেশ্ৰামে কয় যে চৰকাৰে ৰাজ্যখনৰ কৃষি আৰু গ্ৰাম্য পৰ্যটনকে ধৰি পৰ্যটনৰ বিভিন্ন ক্ষেত্ৰক উদগণি যোগাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

২০২২ বৰ্ষত ৰাজ্যখনলৈ অহা মুঠ পৰ্যটকৰ সংখ্যা আছিল ৩১ কোটি ৮৬ লাখ। ইয়াৰ তুলনাত চলিত বৰ্ষৰ প্ৰথম ছমাহতে ৰাজ্যখনলৈ প্ৰায় সম সংখ্যক পৰ্যটক অহা বুলি তেওঁ জানিবলৈ দিয়ে।

চলিত বৰ্ষৰ প্ৰথম ছমাহত ১১ কোটিতকৈও অধিক তীৰ্থযাত্ৰী আৰু পৰ্যটকে অযোধ্যা ভ্ৰমণ কৰিছে। এয়া হ'ল এই সময়ছোৱাত ৰাজ্যখনলৈ অহা পৰ্যটকৰ মুঠ সংখ্যাৰ এক-তৃতীয়াংশ।

০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি কাণপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত আৰম্ভ হ'ব। চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত আলহী দলক পৰাস্ত কৰাৰ পাচত ভাৰতে শৃংখলাটো ২-০ ফলাফলেৰে হস্তগত কৰাৰ আপ্ৰাণ প্ৰয়াস কৰিব। প্ৰথমখন টেষ্টত ৰোহিত শৰ্মা নেতৃত্বাধীন ঘৰুৱা দলটোৱে বাংলাদেশক ২৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে শৃংখলাত অগ্ৰগতি লাভ কৰিছে।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আইৰ তথ্য অনুসৰি দ্বিতীয়খন টেষ্টৰ বাবে ভাৰতীয় দলত থকা খেলুৱৈসকল হ'ল- ৰোহিত শৰ্মা, য়শস্বী জয়ছৱাল, শুভমন গিল, বিৰাট কোহলী, কে এল ৰাহুল, চৰফৰাজ খান, ঋষভ পন্ত, ধ্ৰুৱ জুৰেল, আৰ অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ, মহম্মদ চিৰাজ, আকাশ দীপ, জছপ্ৰিত বুমৰাহ আৰু য়শ দয়াল।

০০০০০০০

পেৰুৰ লিমাৰ লাছ পালমাছ শ্বুটিং ৰেঞ্জত আজিৰ পৰা হ'বলগীয়া চলিত বৰ্ষৰ আই এছ এছ এফ জুনিয়ৰ ৱৰ্ল্ড শ্বুটিং চেম্পিয়নশ্বিপত ভাৰতৰ ৬১ জনীয়া দলে অংশগ্ৰহণ কৰিছে।

প্ৰতিযোগিতাৰ এই চতুৰ্থ সংস্কৰণত ভাৰতে ২১ বছৰ অনুৰ্ধ শাখাত পিষ্টল, ৰাইফল আৰু শ্বটগান শিতানত অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত অলিম্পিক আৰু নন্-অলিম্পিক দুয়োটা শাখা অন্তৰ্ভুক্ত হ'ব।

২০২৩ চনত প্ৰতিযোগিতাৰ চাংৱানত অনুষ্ঠিত সংস্কৰণত ভাৰতে ৬টা সোণ, ৬টা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ মুঠ ১৭টা পদক লাভ কৰি চীনৰ পিচতে পদক তালিকাত দ্বিতীয় স্থান লাভ কৰিছিল।

যোৱা বছৰ পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল আৰু মিক্সড টিম শিতানত সোণৰ পদক অৰ্জন কৰা অভিনৱ শ্ব'ৱে এইবেলিও প্ৰতিযোগিতাত ভাগ লৈছে।

এইবাৰ চীনে প্ৰতিযোগিতালৈ মাত্ৰ ৭গৰাকী শ্বুটাৰৰ দল প্ৰেৰণ কৰাৰ বিপৰীতে ভাৰতে সৰ্ববৃহৎ দল প্ৰেৰণ কৰিছে। ইয়াৰ পিছতে আমেৰিকা যুক্তৰাষ্ট্ৰই ৪০ গৰাকী শ্বুটাৰৰ দল প্ৰেৰণ কৰিছে।

প্ৰতিযোগিতাত ৫১খন দেশৰ ৫৬০ গৰাকীতকৈও অধিক শ্বুটাৰে অংশগ্ৰহণ কৰিছে।

০০০০০০০

মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত কিদাম্বি শ্ৰীকান্ত আৰু মহিলা ডাবলছৰ যুটী তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে আজি ভাৰতীয় দলৰ নেতৃত্ব দিব।

পুৰুষৰ ছিংগলছত ষষ্ঠ বাচনিৰ কিদাম্বি শ্ৰীকান্ত হংকঙৰ অংগুচ না গা লঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ চাৰে ১০ বজাত আৰম্ভ হ'ব। কালি অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত শ্ৰীকান্তে আয়ুষ চেট্টীক ২১-১৩, ২১-১৮ গেমত পৰাস্ত কৰে। ইপিনে, মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি গায়ত্ৰী আৰু তৃষাৰ যুটীটোৱে টাইৱানৰ চ্যু ইন হুই আৰু ইউ লু ইউ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ১০ বাজি ৫০ মিনিটত আৰম্ভ হ'ব।ৰ

০০০০০০০

সমাপ্ত